**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ভাৰতৰ জাতীয় গীত বন্দে মাতৰম আৰু ইথিঅ'পিয়াৰ ৰাষ্ট্ৰীয় সংগীত উভয়ে দেশভূমিক মাতৃ হিচাপে গণ্য কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। সপ্তাহজোৰা দাক্ষিণাত্য ভ্ৰমণ কাৰ্যসূচী আৰম্ভ কৰা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তামিলনাডুৰ ভেলোৰৰ শ্ৰীপুৰমত অৱস্থিত আৰিয়ুৰ নাৰায়ণী স্বৰ্ণ মন্দিৰত উপস্থিত হয়।

৩। সাংসদ অজিত ভূঞাই অসমত ভোটাৰ তালিকাত পুংখানুপুংখ সংশোধনীৰ পৰিৱৰ্তে সাধাৰণভাৱে কেৱল সংশোধনীৰহে ব্যৱস্থা কৰাক লৈ আজি ৰাজ্যসভাত নিৰ্বাচন আয়োগক সমালোচনা কৰে।

৪। ২০২৪-২৫ বৰ্ষত দেশত প্ৰথমবাৰৰ বাবে কয়লাৰ উৎপাদন প্ৰায় ১০০ কোটি টন হোৱা বুলি কেন্দ্ৰীয় কয়লা মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে প্ৰকাশ কৰিছে।

আৰু

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত হ'ব।

ooooooooo

ভাৰতৰ জাতীয় গীত বন্দে মাতৰম আৰু ইথিঅ'পিয়াৰ ৰাষ্ট্ৰীয় সংগীত উভয়ে দেশভূমিক মাতৃ হিচাপে গণ্য কৰে বুলি প্ৰধানমন্ত্ৰী নৰেনুদ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে আজি ইথিঅ'পিয়াৰ সংসদৰ যুটীয়া অধিবেশনত ভাষণ দি কয় যে এই গীত দুটাই আমাক নিজৰ ঐতিহ্য, সংস্কৃতি, সৌন্দৰ্যক লৈ গৌৰৱ কৰিবলৈ আৰু মাতৃভূমিক সুৰক্ষিত প্ৰদান কৰিবলৈ অনুপ্ৰাণিত কৰে।

দুদিনীয়া ভ্ৰমণসূচীৰে সম্প্ৰতি ইথিঅ'পিয়াত থকা শ্ৰীমোদীয়ে কালি দেশখনৰ ৰাজধানী অডিছ আবাবাত প্ৰধানমন্ত্ৰী অবি আহমেদ আলীৰ সৈতে বিভিন্ন বিষয় লৈ বিশদভাৱে আলোচনা কৰে। এই আলোচনাত দ্বিপাক্ষিক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহে স্থান লাভ কৰে। দুয়োপক্ষই লগতে উভয় দেশৰ মাজৰ সম্পৰ্কক কৌশলগত সহযোগিতালৈ উন্নীত কৰা, সীমা শুল্ক সহযোগিতা, ইথিঅ'পিয়াৰ বিদেশ মন্ত্ৰালয়ত তথ্য কেন্দ্ৰ স্থাপন, ৰাষ্ট্ৰসংঘৰ শান্তি ৰক্ষা প্ৰশিক্ষণ সহযোগিতা, জি-২০ৰ অধীনত ঋণ পুনৰগঠন, আই চি চি আৰ জলপানি আৰু ইথিঅ'পিয়াৰ জনসাধাৰণৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা পাঠ্যক্ৰমসহ ৮খন চুক্তিত স্বাক্ষৰ কৰে।

দ্বিপাক্ষিক আলোচনা সন্দৰ্ভত মত প্ৰকাশ কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব সুধাকৰ দলেলাই কয় যে ভাৰত আৰু ইথিঅ'পিয়াৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক কৌশলগত সহযোগিতালৈ উন্নীত হ'লে উভয় দেশৰ মাজৰ পুৰণি সম্পৰ্কই নতুন গতি লাভ কৰিব। তেওঁ লগতে ভাৰত আৰু ইথিঅ'পিয়া শিক্ষা আৰু ৰাজহুৱা ডিজিটেল আন্তঃগাঁথনি খণ্ডক লৈ বিশেষ আগ্ৰহী বুলি মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কালি ইথিঅ'পিয়াৰ প্ৰধানমন্ত্ৰী ড০ অবি আহমেদ আলীয়ে দেশখনৰ সৰ্বোচ্চ সন্মান দি গ্ৰেট অ'নাৰ নিচান অব ইথিঅ'পিয়াৰে সন্মানিত কৰে। ভাৰত আৰু ইথিঅ'পিয়াৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা অভূতপূৰ্ব অৱদান আৰু বিচক্ষণ নেতা হিচাপে দেখুওৱা দূৰদৰ্শী নেতৃত্বৰ বাবে শ্ৰীমোদীক এই সন্মানেৰে বিভূষিত কৰা হয়।

০০০০০০০০০

সপ্তাহজোৰা দাক্ষিণাত্য ভ্ৰমণ কাৰ্যসূচী আৰম্ভ কৰা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তামিলনাডুৰ ভেলোৰৰ শ্ৰীপুৰমত অৱস্থিত আৰিয়ুৰ নাৰায়ণী স্বৰ্ণ মন্দিৰত উপস্থিত হয়। ধ্যানৰ উদ্দেশ্যে মন্দিৰ চৌহদত সুকীয়াকৈ নিৰ্মাণ কৰা এটা ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্দিৰৰ আৰতিত অংশগ্ৰহণ কৰে। মন্দিৰত পূৰ্ণকুম্ভ আদৰণি গ্ৰহণ কৰা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে চৌহদত এজোপা গছপুলিও ৰোপণ কৰে। উল্লেখযোগ্য যে ভেলোৰত এশ একৰ ভূমিক সামৰি নিৰ্মাণ কৰা মন্দিৰটোৰ চৌহদত এখন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ো আছে।

ইয়াৰ পূৰ্বে আজি পুৱা  ভেলোৰত ৰাষ্ট্ৰপতিগৰাকীক তামিলনাডুৰ ৰাজ্যপাল আৰ এন ৰবি, তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ডঃ এল মুৰুগান আৰু ৰাজ্য চৰকাৰৰ মন্ত্ৰী এম আৰ গান্ধীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আদৰণি জনায়। কৰ্ণাটক, তামিলনাডু আৰু তেলেংগানাক সামৰি গ্ৰহণ কৰা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ এই ভ্ৰমণ সূচীৰ অহা ২২ ডিচেম্বৰত সামৰণি পৰিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি তিনিখনীয়া দেশ ভ্ৰমণৰ অন্তিম পৰ্যায়ত ওমানত উপস্থিত হ'ব। ওমানৰ মুৰব্বী ছুলতান হাইথাম বিন তাৰিকৰ আমন্ত্ৰণমৰ্মে প্ৰধানমন্ত্ৰীগৰাকী দেশখনলৈ যাব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীক এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে সংগ দিব। এই দুদিনীয়া ভ্ৰমণত উভয় দেশে সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তিত স্বাক্ষৰ কৰাৰ আশা কৰা হৈছে। আকাশবাণীৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত দেশখনত থকা ভাৰতৰ ৰাষ্ট্ৰদূত জি ভি শ্ৰীনিবাসে কয়, যে এই ভ্ৰমণকালত অন্যান্য ভালেকেইখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ হোৱাৰ কথা আছে।

০০০০০০০

**অসমত ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে গ্ৰহণ কৰা ভূমিকাক সাংসদ অজিত কুমাৰ ভূঞাই সমালোচনা কৰিছে। ভালেমান সংবেদনশীল বিষয়ক লৈ দেশৰ আন ৰাজ্যৰ তুলনাত অসমৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে বৈষম্যমূলক নীতি গ্ৰহণ কৰা বুলি অভিযোগ কৰি অসমৰ পৰা নিৰ্বাচিত ৰাজ্যসভাৰ সাংসদগৰাকীয়ে এই সন্দৰ্ভত বিশেষকৈ ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীৰ প্ৰসংগ উল্লেখ কৰে। দেশৰ আন ১২ খন ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী অৰ্থাত SIR ৰ ব্যৱস্থা কৰাৰ বিপৰীতে অসমৰ ক্ষেত্ৰত পুংখানুপুংখ সংশোধনীৰ পৰিবৰ্তে কেৱল ভোটাৰ তালিকাৰ বিশেষ সংশোধনী অৰ্থাত SRৰ ব্যৱস্থা কৰাক লৈ তেওঁ ক্ষোভ প্ৰকাশ কৰে। এই ব্যৱস্থাৰ জৰিয়তে ঐতিহাসিক  অসস চুক্তিকো উলংঘা কৰা হৈছে বুলি অভিযোগ কৰি সাংসদগৰাকীয়ে কয় যে ইয়াৰ ফলত মাত্ৰ দুটা নিশা অসমত**

**অতিবাহিত কৰা লোকেও ৰাজ্যখনৰ পৰা ভোটদানৰ অধিকাৰ লাভ কৰিব। এই কাৰ্যক ভোটাৰ তালিকাত বহিঃৰাজ্যৰ লোকৰ নাম অন্তৰ্ভূক্তিৰ চক্ৰান্ত বুলি অভিহিত কৰি তেঁও লগতে অসমত নিৰ্বাচন আয়োগৰ বিশ্বাসযোগ্যতা হ্ৰাস পাইছে বুলিও অভিযোগ কৰে।**

০০০০০০০

ভাৰতৰ সামুদ্ৰিক পথৰ নিৰাপত্তাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ অধ্যায়ৰ সূচনা কৰি ভাৰতীয় নৌ সেনাই আজি নতুনকৈ ইয়াৰ দ্বিতীয়খন MH-60R Seahawk helicopter squadron, INAS 335 ক বাহিনীটোত অন্তৰ্ভুক্ত কৰিব। নৌ সেনাৰ আধুনিকীকৰণৰ অভিযানৰ সৈতে সংগতি ৰাখি এই অত্যাধুনিক হেলিকপ্তাৰখনৰ অন্তৰ্ভুক্তিৰ উদ্দেশ্যে গোৱাত আজি বিয়লি আঢ়ৈ বজাত এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আই এন এছ হংসত আয়োজিত এই অনুষ্ঠানত নৌ সেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠীয়ে অধ্যক্ষতা কৰিব।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ডঃ এছ্ জয়শংকৰে ভূটানৰ ৰাষ্ট্ৰীয় দিৱস **গ্যালিয়ং ডুচেন** উপলক্ষে দেশখনৰ বিদেশ মন্ত্ৰী লিয়নপ' ডি এন ধুংগ্যেল আৰু ভূটানৰ জনসাধাৰণক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ডঃ জয়শংকৰে, দুয়োখন দেশৰ মাজৰ বিশেষ আৰু এককধৰণৰ সম্পৰ্কক অধিক আগবঢ়াই নিবৰ বাবে ভাৰতৰ দায়বদ্ধতাক দোহাৰে।

০০০০০০০০০

২০২৪-২৫ বৰ্ষত দেশত প্ৰথমবাৰৰ বাবে কয়লাৰ উৎপাদন প্ৰায় ১০০ কোটি টন হোৱা বুলি কেন্দ্ৰীয় কয়লা মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে প্ৰকাশ কৰিছে। লোকসভাত আজি পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰীৰেড্ডীয়ে কয় যে বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কয়লা খণ্ডত ভালেমান গুৰুত্বপূৰ্ণ সংস্কাৰ কৰা হৈছে। তেওঁ কয় যে চৰকাৰে সমগ্ৰ দেশত কয়লা উৎপাদন আৰু যোগান নিশ্চিত কৰিছে। ভাৰত সম্প্ৰতি বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ কয়লা উৎপাদক আৰু ব্যৱহাৰকাৰী ৰূপে পৰিগণিত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীৰেড্ডীয়ে কয় যে ভাৰতত বিশ্বৰ ভিতৰত পঞ্চম সৰ্ববৃহৎ কয়লা ভাণ্ডাৰ আছে আৰু দেশত প্ৰায় ৭ বছৰৰ বাবে পৰ্যাপ্ত পৰিমাণৰ কয়লা মজুত আছে। তেওঁ কয় যে চৰকাৰে কয়লাক গেছলৈ ৰূপান্তৰকৰণ অভিযান সন্দৰ্ভত কাম কৰি আছে আৰু এই অভিযানৰ অধীনত ২০৩০ চনৰ ভিতৰত ১০ কোটি টন কয়লাক গেছলৈ ৰূপান্তৰ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কয়লাৰ ভূমিগত গেছীয়কৰণৰ সম্ভাৱনা থকা ২১টা খনিৰ নিলাম প্ৰক্ৰিয়া চলি আছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ সদনক কয় যে এই উদ্যমৰ ফলত অকল কয়লাৰ নিকা ব্যৱহাৰ সুনিশ্চিত হোৱাই নহয়, বৰং তেল, মিথানল আৰু এমনিয়ামৰ দৰে সামগ্ৰীৰ আমদানিৰ ওপৰত নিৰ্ভৰশীলতাও হ্ৰাস পাব।

০০০০০০০০০

ভাৰতীয় ৰে'লৱেই দুহেজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰো অধিক ৰে'লপথত কবচ প্ৰণালী আৰম্ভ কৰিছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে মন্তব্য কৰিছে। লোকসভাত আজি প্ৰশ্নকালত সোধা এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে যাত্ৰী সুৰক্ষা আৰু ৰে'ল পৰিচালনা সুগম কৰি তোলাৰ উদ্দেশ্যে ৪ হাজাৰ ১৫৪ ৰে'ল ইঞ্জিনত এই স্বয়ংক্ৰিয় ৰে'ল সুৰক্ষা ব্যৱস্থা কবচ স্থাপন কৰা হৈছে। তেওঁ কয় যে কবচ স্থাপনৰ

কাম-কাজ ক্ষিপ্ৰতাৰে চলি আছে আৰু ৪০ হাজাৰৰো অধিক কাৰিকৰ আৰু অপাৰেটৰক ইতিমধ্যে কবচ সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

ooooooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা ১৯ ডিচেম্বৰত আহমেদাবাদত অনুষ্ঠিত হ'ব।

ooooooooo

সমাপ্ত